**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 07-08-2026
**Time :** 1:40 PM

ASSAMESE MIDDAY NSD BULLETIN
**HEADLINES**
**::::::::::::::::::**

১। সংসদত আজি ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ বিকাশ সংশোধনী বিধেয়ক ২০২৬ গৃহীত হয়।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তেওঁৰ বাসভৱনত পুৱাৰ আহাৰৰ টেবুলত এন ডি এত নতুনকৈ যোগদান কৰা সাংসদসকলৰ সৈতে মত-বিনিময় কৰে।

৩। ভাৰত আৰু চীনে কালি নতুন দিল্লীত অনুষ্ঠিত সীমান্ত বিষয়ক আলোচনা আৰু সমন্বয় কৰ্মব্যৱস্থা সম্বন্ধীয় ৩৬ সংখ্যক বৈঠকত মুকলি আলোচনা কৰে।

৪। অবিৰত বৰষুণ আৰু নদ-নদীৰ জলস্তৰ বৃদ্ধি হোৱাৰ ফলত ৰাজ্যৰ বান পৰিস্থিতি এতিয়াও উদ্বেগজনক হৈ আছে। ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে কৰিমগঞ্জ, শ্ৰীভূমি আৰু গোলাঘাট জিলাৰ বাবে অ'ৰেঞ্জ এলাৰ্ট জাৰি কৰিছে। ***আৰু***

৫। ভাৰতৰ ৰক্ষিতা ৰামৰাজ আৰু অস্মিতা চলিহাই কোৰিয়া মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

ooooo

সংসদত আজি ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ বিকাশ সংশোধনী বিধেয়ক ২০২৬ গৃহীত হয়। ৰাজ্যসভাত যোৱা সোমবাৰে এই বিধেয়ক খন গৃহীত হোৱাৰ পাছত লোকসভাই আজি বিধেয়কখন গৃহীত কৰে।

প্ৰথমবাৰ নিম্ন সদন স্থগিত ৰখাৰ পাছত দুপৰীয়া ১২ বজাত পুনত মিলিত হোৱাৰ সময়ত ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ দপ্তৰৰ মন্ত্ৰী জিতন ৰাম মাঝীয়ে সদনত ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ বিকাশ আইন ২০০৬ সংশোধনৰ বাবে উত্থাপন কৰে। এই বিধেয়কখনৰ জৰিয়তে বেতন পলম হোৱা আৰু বিবাদ নিষ্পত্তিৰ দৰে বিষয়সমূহ সমাধান কৰা হ'ব। বিধেয়কখনত উল্লেখ কৰা অনুসৰি প্ৰত্যেক কেন্দ্ৰীয় ৰাজহুৱা খণ্ডৰ উদ্যোগে ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগৰ পৰা ক্ৰয় কৰা সামগ্ৰী অথবা সেৱাৰ বাবে ট্ৰেড ৰিচিভেৰলচ ডিচকাউণ্টিং ব্যৱস্থাত সকলো বিল পৰিশোধ কৰিব লাগিব।

এই বিধেয়কখন গৃহীত কৰি সদন পৰিচালনাৰ দায়িত্বত থকা বিষয়া দিলীপ শইকীয়াই সদনৰ কাম-কাজ চলাই নিয়াৰ চেষ্টা চলাই আৰু প্ৰতিবাদৰত সদস্য সকলক নিয়াৰীকৈ কাম-কাজ চলোৱাত সহযোগ কৰিবলৈ আহ্বান জনায়। তেওঁ সদনৰ কাম-কাজত ব্যাঘাত জন্মোৱাক লৈ অসন্তুষ্টি ব্যক্ত কৰি এনেধৰণৰ প্ৰতিবাদ দেশৰ গণতান্ত্ৰিক ব্যৱস্থাৰ বাবে সমীচীন নহয় বুলি উল্লেখ কৰে। শ্ৰী শইকীয়াই বাৰে বাৰে পষ্টাৰ, বেনাৰ আদি প্ৰদৰ্শন কৰি সদনৰ

কাম-কাজ ব্যাহত কৰাটো উচিত নহয় বুলি কয়। তেওঁ সকলো সদস্যক নিজ নিজ আসন গ্ৰহণ কৰিবলৈ আৰু গঠনমূলক আলোচনাত ভাগ ল'বলৈ আহ্বান জনায়।

সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে বিৰোধী পক্ষৰ আচৰণত উদ্বেগ প্ৰকাশ কৰি কয় যে, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ প্ৰতিদিনে সংসদৰ অধিবেশনত উপস্থিত থাকে। ইয়াৰ পাছতো হুলস্থুলীয়া পৰিৱেশ অব্যাহত থকাত লোকসভাৰ কাম-কাজ অহা সোমবাৰৰ দিনৰ ১১ বজালৈ স্থগিত ৰখা হয়।

ইয়াৰ পূৰ্বে দিনৰ ১১ বজাত সদন মিলিত হোৱাৰ সময়ত লোকসভাৰ অধ্যক্ষ ওম বিৰলাই ভাৰত ত্যাগ আন্দোলনৰ শ্বহীদ আৰু স্বাধীনতা যুঁজাৰুসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অহা ৯ আগষ্টত ভাৰত ত্যাগ আন্দোলনৰ ৮৪ বছৰ সম্পূৰ্ণ হ'ব বুলি উল্লেখ কৰি শ্ৰী বিৰলাই এই আন্দোলনক ৰাষ্ট্ৰীয় একতা, সাহসিকতা, সত্য আৰু অংহিসাৰ গভীৰ নিদৰ্শন বুলি প্ৰকাশ কৰে।

(বাইট)

ইপিনে নীটৰ প্ৰতিবাদৰ সময়ত শিক্ষাৰ্থী সকলৰ বিৰুদ্ধে আৰক্ষীৰ ভূমিকাকে ধৰি বিভিন্ন বিষয় লৈ সৃষ্টি হোৱা হুলস্থূলীয়া পৰিস্থিতিৰ বাবে ৰাজ্যসভাৰ কাৰ্যক্ৰমণিকা দিনটোৰ বাবে স্থগিত ৰখা হয়। দুপৰীয়া ১২ বজাত সদন পুনৰ মিলিত হোৱাৰ সময়ত সভাপতি চি পি ৰাধাকৃষ্ণনে হুলস্থুলীয়া পৰিস্থিতিৰ মাজতে প্ৰশ্নকাল আৰম্ভ কৰে। ৰেল'মন্ত্ৰী অশ্বীনি বৈষ্ণৱে ৰে'লৰেৰ ছিগনেল পদ্ধতি আৰু কৱচ স্থাপন সন্দৰ্ভত প্ৰশ্নৰ উত্তৰ দিয়াৰ চেষ্টা চলাই যদিও অসম্পূৰ্ণ হৈ ৰয়। বিৰোধী পক্ষৰ সদস্যসকলৰ হুলস্থুলীয়া পৰিস্থিতিৰ বাবে পাছত সদনৰ কাম-কাজ দিনটোৰ বাবে স্থগিত ৰখা হয়।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তেওঁৰ বাসভৱনত পুৱাৰ আহাৰৰ টেবুলত ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চা, এন ডি এত নতুনকৈ যোগদান কৰা সাংসদসকলৰ সৈতে মত-বিনিময় কৰে। এইসকলৰ ভিতৰত এম চি পি আই আৰু শিৱসেনাৰ সাংসদসকল আছে। এই সাক্ষাতৰ পাছত সংসদ ভৱন চৌহদত সংবাদ মাধ্যমৰ মুখামুখি হৈ শিৱসেনাৰ সাংসদ জ্যোতি সাবিত্ৰী নাগনাথ ৰাঘমেৰে কয় যে প্ৰধানমন্ত্ৰীয়ে তেওঁলোকৰ সৈতে সংসদৰ কাম-কাজ বাৰম্বাৰ বিঘ্নিত হৈ থকাৰ বিষয়টো সন্দৰ্ভত কথা পাতে। তেওঁ কয় যে এনেদৰে বাৰম্বাৰ সদনৰ কাম-কাজ বিঘ্নিত হৈ থাকিলে নৱনিৰ্বাচিত আৰু প্ৰতিভাবান সাংসদসকল সদনত নিজৰ নিজৰ দৃষ্টিভংগী প্ৰকাশ কৰাৰ পৰা বঞ্চিত হৈ থাকিব বুলি প্ৰধানমন্ত্ৰীয়ে আক্ষেপ প্ৰকাশ কৰে।

বাইট (জ্যোতি)

এন চি পি আইৰ সাংসদ শতাব্দী ৰয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এন ডি এৰ সৈতে যুক্ত হোৱা প্ৰত্যেককে আদৰণি জনায়। তেওঁ কয় যে প্ৰধানমন্ত্ৰীয়ে সাংসদসকলে কি কৰাটো প্ৰয়োজন আৰু তেওঁলোকে কিদৰে ৰাষ্ট্ৰ নিৰ্মাণলৈ ফলপ্ৰসূ অৱদান যোগাব পাৰিব সেই সন্দৰ্ভত মত-বিনিময় কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আই আই টি দিল্লীৰ ৫৭ সংখ্যক সমাৱৰ্তন অনুষ্ঠানত অংশগ্ৰহণ কৰিব। এই সমাৰোহত ৫৮৭ গৰাকী শিক্ষাৰ্থীক পি এইছ ডি ডিগ্ৰী প্ৰদান কৰাকে ধৰি ৩ হাজাৰৰো অধিক শিক্ষাৰ্থীক ডিগ্ৰী প্ৰদান কৰা হ'ব। শ্ৰীমোদীয়ে শিক্ষা প্ৰতিষ্ঠানখনৰ ৰাষ্ট্ৰপতিৰ স্বৰ্ণপদক, সঞ্চালকৰ স্বৰ্ণপদক, শংকৰ দয়াল শৰ্মা স্বৰ্ণপদক আৰু পাৰফেক্ট টেন স্বৰ্ণপদককে ধৰি বিভিন্ন সন্মান মেধাৱী শিক্ষাৰ্থীসকলক প্ৰদান কৰিব। এই অনুষ্ঠানতে

প্ৰধানমন্ত্ৰীয়ে আই আই টি দিল্লীৰ ছনিপট চৌহদত স্থাপন কৰা কৃত্ৰিম বুদ্ধিমত্তা ক্ষমতাসম্পন্ন ছুপাৰ কম্পিউটিং ব্যৱস্থা **পৰম প্ৰাজ্ঞ** উদ্বোধন কৰিব।

০০০০০

ভাৰত আৰু চীনে কালি নতুন দিল্লীত অনুষ্ঠিত সীমান্ত বিষয়ক আলোচনা আৰু সমন্বয় কৰ্মব্যৱস্থা সম্বন্ধীয় ৩৬ সংখ্যক বৈঠকত মুকলি আলোচনা কৰে। এই বৈঠকত প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাৰ পৰিস্থিতিৰো পৰ্যালোচনা কৰা হয়। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতিত প্ৰকাশ কৰা অনুসৰি দুয়ো পক্ষই সীমান্তৰ সমস্যা ব্যৱস্থাপনা আৰু সহযোগিতা সন্দৰ্ভত বিস্তৃত মত-বিনিময় কৰে। বৈঠকত দুয়ো পক্ষই সীমান্তৰ সামগ্ৰিক বিকাশৰ স্বাৰ্থত সেই অঞ্চলসমূহত শান্তি আৰু স্থিৰতা বৰ্তাই ৰখাত গুৰুত্ব দিয়ে।

ভাৰতৰ প্ৰতিনিধি দলটোক বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ পূব এছিয়া সম্বন্ধীয় যুটীয়া সচিব সুজিত ঘোষে নেতৃত্ব দিয়ে। চীনৰ প্ৰতিনিধি দলটোৰ নেতৃত্বত আছিল দেশখনৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সীমান্ত আৰু সামুদ্ৰিক পৰিক্ৰমা বিভাগৰ সঞ্চালক প্ৰধান হুউ য়াংগিয়ে। দুয়ো পক্ষই বৰ্তমানৰ কূটনৈতিক আৰু সামৰিক ব্যৱস্থা বাহাল ৰখাত গুৰুত্ব দিয়ে।

০০০০০

কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ মৃত্যু দিৱসত আজি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীশ্বাহে কয় যে ৰবীন্দ্ৰ নাথ ঠাকুৰে ভাৰতৰ আত্মাক কণ্ঠ দান কৰিছে আৰু তেওঁৰ কলমেৰে স্বাধীনতা আন্দোলনৰ নতুন মাত্ৰা দিছিল। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে কবিগুৰু ঠাকুৰৰ অমৰ সৃষ্টি **জন গণ মন** দেশৰ একতাৰ অনন্য প্ৰতীক আৰু দেশবাসীৰ আত্মগৌৰৱৰ উৎস। শ্ৰীশ্বাহে কয় যে সাহিত্যিকগৰাকীয়ে বিশ্ব ভাৰতী বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ জৰিয়তে ভাৰতীয় সংস্কৃতি, দৰ্শন আৰু শিক্ষাক বিশ্বৰ মঞ্চলৈ নিছিল।

০০০০০

অবিৰত বৰষুণ আৰু নদ-নদীৰ জলস্তৰ বৃদ্ধি হোৱাৰ ফলত ৰাজ্যৰ বান পৰিস্থিতি এতিয়াও উদ্বেগজনক হৈ আছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে প্ৰকাশ কৰা তথ্য অনুসৰি ৰাজ্যখনত চলিত বৰ্ষৰ বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৯৭ লৈ বৃদ্ধি পোৱাৰ লগতে ১৫ খন জিলাৰ বিস্তীৰ্ণ অঞ্চল এতিয়াও প্লাৱিত হৈ আছে। ৪৮১ খন গাঁৱৰ ১ লাখ ৬৮ হাজাৰৰো অধিক লোক আৰু ১৪ হাজাৰ ৩৮২ হেক্টৰৰো অধিক কৃষিভূমি সাম্প্ৰতিক বানত ক্ষতিগ্ৰস্ত হৈছে। বানপীড়িত লোকসকলক সহায় আগবঢ়াবলৈ সাহায্য আৰু পুনৰ সংস্থাপন অভিযান অব্যাহত আছে। চৰকাৰী তথ্য মতে ৰাজ্যত ৫০ টা সাহায্য শিবিৰ তথা ৮৩ টা সাহায্য সামগ্ৰী বিতৰণ কেন্দ্ৰ সক্ৰিয় হৈ আছে আৰু বৰ্তমানেও এই শিবিৰসমূহত ১০ সহস্ৰাধিক লোকে আশ্ৰয় লৈ আছে।

ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে কৰিমগঞ্জ, শ্ৰীভূমি আৰু গোলাঘাট জিলাৰ বাবে অ'ৰেঞ্জ এলাৰ্ট জাৰি কৰিছে। জিলাকেইখনৰ অঞ্চলবিশেষে স্থানীয় ৰাইজক নৈৰ কাষলৈ নাযাবলৈ আৰু বিপদসংকুল অঞ্চলত প্ৰৱেশ নকৰিবলৈ প্ৰশাসনৰ তৰফৰ পৰা সতৰ্ক কৰা হৈছে।

শ্ৰীভূমি জিলাৰ কুশিয়াৰা নৈৰ জলস্তৰ ধাৰাবাহিকভাৱে বৃদ্ধি পোৱাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰশাসনে নাগৰিকসকলক নৈৰপাৰৰ পৰা আঁতৰি থাকিবলৈ আৰু নিজৰ সুৰক্ষাক সৰ্বাধিক গুৰুত্ব দিবলৈ আহ্বান জনাইছে। ইপিনে, গোলাঘাট জিলাৰ নুমলীগড়ত ধনশিৰি নৈৰ জলস্তৰো ক্ৰমাৎ বৃদ্ধি পাইছে।

চৰাইদেউ আৰু শিৱসাগৰ জিলাৰ বানপীড়িতসকলৰ বাবে ৰাজ্যৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে একাধিক বৃহৎ বিনামূলীয়া স্বাস্থ্য শিবিৰ অনুষ্ঠিত কৰিছে। চৰাইদেউ জিলা স্বাস্থ্য বিভাগ আৰু জিলা প্ৰশাসনৰ উদ্যোগত কালি সোণাৰি মহাবিদ্যালয়, শিৱসাগৰ জিলাৰ শংকৰদেৱ শিশু নিকেতন আৰু ভাধৰা বি এড কলেজত বিধানসভা সমষ্টিভিত্তিত বৃহৎ স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। এই শিবিৰত বানপীড়িত কেইবাহাজাৰ লোকে বিশেষজ্ঞ চিকিৎসকৰ দ্বাৰা স্বাস্থ্য পৰীক্ষাৰ লগতে বিভিন্নধৰণৰ ৰক্ত পৰীক্ষা আৰু চিকিৎসা পৰামৰ্শ লাভ কৰে। স্বাস্থ্য মন্ত্ৰী অশোক সিংহলে তিনিওটা স্বাস্থ্য শিবিৰ পৰিদৰ্শন কৰি চিকিৎসা ব্যৱস্থাৰ বুজ লয় আৰু বানপীড়িত লোকৰ সৈতে মত বিনিময় কৰে। শিবিৰসমূহ পৰিদৰ্শন কৰি মন্ত্ৰী সিংহলে কয়, যে প্ৰাকৃতিক দুৰ্যোগৰ সময়ত জনস্বাস্থ্য সুৰক্ষিত কৰি ৰখাটো ৰাজ্য চৰকাৰৰ অন্যতম প্ৰধান দায়িত্ব।

স্বাস্থ্য বিভাগৰ তথ্য অনুসৰি সোণাৰি মহাবিদ্যালয়ত অনুষ্ঠিত শিবিৰত দুহেজাৰৰো অধিক লোকে স্বাস্থ্য পৰীক্ষা কৰোৱাৰ লগতে শিৱসাগৰৰ ভাধৰা বি এড কলেজত ৪৮৮ গৰাকী আৰু শংকৰদেৱ শিশু নিকেতনত ৫০৫ গৰাকী লোকে স্বাস্থ্য পৰীক্ষাৰ সুবিধা লাভ কৰে। উল্লেখযোগ্য যে চৰাইদেউ জিলাৰ বানপীড়িত লোকসকলক স্বাস্থ্য সেৱা প্ৰদানৰ উদ্দেশ্যে আজি টেঙাপুখুৰী ৰাজহুৱা প্ৰেক্ষাগৃহ আৰু কাইলৈ ভজো উচ্চ মাধ্যমিক বিদ্যালয়ত একেধৰণৰ বৃহৎ বিনামূলীয়া স্বাস্থ্য শিবিৰ অনুষ্ঠিত হ'ব।

ooooo

ভাৰতৰ ৰক্ষিতা ৰামৰাজ আৰু অস্মিতা চলিহাই কোৰিয়া মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। ৰক্ষিতাই আজি আছানত অনুষ্ঠিত কোৱাৰ্টাৰ ফাইনেলত নিজ দেশৰে তনভী শৰ্মাক ২১-১৮, ১৯-২১, ১৯-২১ গেমত পৰাস্ত কৰি ছেমি ফাইনেলত স্থান নিশ্চিত কৰে। ৰক্ষিতা ছেমি ফাইনেলত অস্মিতা চলিহাৰ সন্মুখীন হ'ব। ইয়াৰপূৰ্বে অস্মিতাই শীৰ্ষ বাছনিপ্ৰাপ্ত জাপানৰ হীনা অকেছিক ২০-২২, ২১-১৫, ২১ ১৯ গেমত পৰাস্ত কৰে।

ইপিনে. পুৰুষৰ ডাবলছৰক কোৱাৰ্টাৰ ফাইনেলত পৃথ্বি কৃষ্ণমূৰ্তি ৰায় আৰু কৃষ্ণা প্ৰসাদ গৰাগাৰ যুটীটো মালয়েছিয়াৰ মান ৱেই চোং আৰু ছোহ উই য়িকৰ সন্মুখীন হ'ব।

ooooo

ভাৰতীয় সেনাৰ দ্বাৰা আয়োজিত চলিত ১৩৫ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ আজি কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগনত হ'বলগা গ্ৰুপ এৰ এখন খেলত আই এছ এলৰ চেম্পিয়ন তথা ১৬ বাৰকৈ ডুৰাণ্ড কাপ জয় কৰা ইষ্ট বেংগল এফ চিয়ে চাউথ ইউনাইটেড এফ চিৰ বিৰুদ্ধে খেলিব। নিশা ৭ বজাত খেলখন অনুষ্ঠিত হ'ব। আনহাতে, ৰাঁচীৰ বীৰচা মুণ্ডা ফুটবল ষ্টেডিয়ামত অনুষ্ঠিত হ'বলগীয়া দিনটোৰ প্ৰথমখন খেলত এছ চি দিল্লীয়ে ডিফেণ্ডাৰ্ছ এফ চিৰ মুখামুখি হ'ব। গ্ৰুপ চিৰ এই খেলখন বিয়লি ৪ বজাত অনুষ্ঠিত হ'ব।

ooooo

সমাপ্ত